# গৌহাটি উচ্চ ন্যায়ালয়

(অসম, নাগালেণ্ড, মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)

গোচৰ নং : ফৌজদাৰী আবেদন ৫৮৯/২০২১

তৰুণ চন্দ্ৰ দাস, পিতাঃ স্বৰ্গীয় মহেন্দ্ৰ চন্দ্ৰ দাস

সাংঃ এৰিয়েৰঝাৰ খণ্ড-০১, চাপৰ, ওয়াৰ্ড নং-১

ডাকঘৰ- চাপৰ, থানা- চাপৰ, জিলা-ধুবুৰী, অসম

**বনাম**

ভঞ্জনা কলিতা, পিতা- হৰিশ কলিতা

সাংঃ এৰিয়েৰঝাৰ খণ্ড-০১, চাপৰ, ওয়াৰ্ড নং-১

ডাকঘৰ- চাপৰ, থানা- চাপৰ, জিলা-ধুবুৰী, অসম

আবেদনকাৰীৰ অধিবক্তা- শ্ৰীযুত এছ বিশ্বাস

প্ৰতিপক্ষৰ অধিবক্তা- শ্ৰীযুত এম হুছেইন

**মহামান্য ন্যায়াধীশ শ্ৰীযুত ৰবিন ফুকন**

শুনানিৰ তাৰিখ : ০৭.০২.২০২২

ৰায়দানৰ তাৰিখ : ২২.০২.২০২২

## ৰায় (ছি এ ভি)

বিলাসীপাৰাৰ বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশ(এম) য়ে বিবিধ গোচৰ(Misc. Case) নং ২৪৪/২০১৭ত দিয়া ০৪/১০/২০১৯ তাৰিখৰ ৰায়ৰ জৰিয়তে ফৌজদাৰী কাৰ্য্যবিধি ১৯৭৩ৰ ১২৫ নং ধাৰাৰ অধীনত শ্ৰীমতী ভঞ্জনা কলিতাক খোৰাকী প্ৰদানৰ আদেশ জাৰি কৰে। উক্ত আদেশ বাহাল ৰাখি বিলাসীপাৰাৰ বিদ্বান অতিৰিক্ত জিলা ন্যায়াধীশ মহোদয়ে ফৌজদাৰী পুনৰীক্ষণ(Criminal Revision) গোচৰত ০৬.০৯.২০২১ তাৰিখে দিয়া ৰায় আৰু আদেশৰ শুদ্ধতাক প্ৰত্যাহ্বান জনাই আবেদনকাৰী শ্ৰী তৰুণ চন্দ্ৰ দাসে ফৌজদাৰী কাৰ্য্যবিধিৰ ৪৮২ নং ধাৰাৰ অধীনত এই আবেদন দাখিল কৰিছে।

2. এইটো উল্লেখ কৰিবলগীয়া যে, বিলাসীপাৰাৰ বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশ(এম) য়ে বিবিধ গোচৰ নং ২৪৪/২০১৭ত দিয়া ০৪/১০/২০১৯ তাৰিখৰ বিবাদিত ৰায় আৰু আদেশৰ জৰিয়তে আবেদনকাৰীক ফৌজদাৰী কাৰ্য্যবিধিৰ ১২৫ নং ধাৰাৰ অধীনত ভৰণ-পোষন বাবদ প্ৰতি মাহে ৫০০০(পাঁচ হাজাৰ) টকাকৈ প্ৰতিপক্ষক দিবলৈ নিৰ্দেশ দিয়ে।

৩) এই আবেদনখন দাখিল কৰাৰ তথ্যগত পটভূমিৰ বিষয়ে চমুকৈ তলত উল্লেখ কৰা হ'ল:

“প্ৰতিপক্ষ অৰ্থাৎ শ্ৰীমতী ভঞ্জনা কলিতা আবেদনকাৰী শ্ৰী তৰুণ চন্দ্ৰ দাসৰ পত্নী। ইংৰাজী ২৮.০৪.২০১৭ তাৰিখে হিন্দু ৰীতি-নীতি অনুযায়ী তেওঁলোকৰ বিবাহ সম্পন্ন হয়। বিয়াৰ পিছত আবেদনকাৰীয়ে প্ৰতিপক্ষক তেওঁৰ নিজৰ ভগ্নী শ্ৰীমতী লতিকা দাসৰ ঘৰলৈ লৈ গৈ তাত এমাহ থাকে আৰু তাৰ পিছত, তেওঁলোকে বিলাসীপাৰত অৱস্থিত এটা ভাড়াঘৰলৈ স্থানান্তৰিত হৈ তাতেই স্বামী-স্ত্ৰী হিচাপে থাকিব লয়। স্বামী-স্ত্ৰী হিচাপে দুমাহ একেলগে থকাৰ পিছত আবেদনকাৰীয়ে প্ৰতিপক্ষক এৰিয়াৰঝাৰস্থিত নিজৰ ঘৰলৈ লৈ যায়। আবেদনকাৰীৰ ঘৰ পোৱাৰ পিছতেই প্ৰতিপক্ষই আবেদনকাৰীৰ প্ৰথম পত্নীক দেখি আচৰিত হৈ পৰে। বিয়াৰ পূৰ্বে আবেদনকাৰীয়ে প্ৰতিপক্ষক জনাইছিল যে তেওঁ ইতিমধ্যে তেওঁৰ প্ৰথম পত্নীক বিবাহ বিচ্ছেদ কৰিছে আৰু এই সংক্ৰান্তত তেওঁ তাইক কিছুমান ভুৱা নথিও দেখুৱাইছিল। তাৰ পিছত কোনো বিকল্প নেদেখি প্ৰতিপক্ষই আবেদনকাৰীৰ লগত নিজকে খাপ খুৱাবলৈ চেষ্টা কৰি দম্পতী জীৱন যাপন কৰিবলৈ আৰম্ভ কৰে। ইয়াৰ পিছত আবেদনকাৰীয়ে কোনো কাৰণ নোহোৱাকৈ প্ৰতিপক্ষৰ সৈতে কাজিয়া কৰিবলৈ আৰম্ভ কৰে আৰু শাৰীৰিক আৰু মানসিক ভাবে অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰে আৰু আন ব্যক্তিৰ পৰামৰ্শ অনুসৰি সি তাইৰ পৰা টকা দাবী কৰে। ০৬.১১.২০১৭ তাৰিখে ৰাতি প্ৰায় ১০.৪৫ বজাত আবেদনকাৰীয়ে প্ৰতিপক্ষক গামোছা ডিঙিত মেৰিয়াই হত্যা কৰিবলৈ চেষ্টা কৰে যদিও কেনেবাকৈ তাই পলায়ন কৰিবলৈ সক্ষম হয় আৰু তাই তাইৰ পৰিয়ালৰ সদস্যক এই বিষয়ে অৱগত কৰে। কিন্তু পৰিয়ালৰ সদস্যৰ হস্তক্ষেপত তাই পুনৰ আবেদনকাৰীৰ লগত থাকিবলৈ আৰম্ভ কৰে। তাৰ পিছত ১১.১১.২০১৭ তাৰিখে আবেদনকাৰীয়ে হিংসাত্মক হৈ তাইক বেয়াকৈ মাৰপিট কৰি তাৰ ঘৰৰ পৰা খেদি দিয়ে। যদিও প্ৰতিপক্ষৰ পৰিয়ালৰ সদস্যসকলে সৌহাৰ্দ্যপূৰ্ণভাৱে বিষয়টো নিষ্পত্তি কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু কোনো ফলাফল

নিদিলে। আবেদনকাৰী কৃষি বিভাগৰ অধীনস্থ চৰকাৰী কৰ্মচাৰী আৰু তেওঁ বিলাসীপাৰা কৃষি কাৰ্যালয়ত কাম কৰে। তেওঁ এজন সুস্বাস্থ্যৱান ব্যক্তি আৰু তেওঁ দৰমহা ৪০,০০০ টকা আৰু লগতে, তেওঁৰ মাটি সম্পত্তিও আছে। আনহাতে প্ৰতিপক্ষৰ নিজৰ ভৰণ-পোষণৰ কোনো পথ নাই আৰু পৰ্যাপ্ত সামৰ্থ্য থকাৰ পিছতো আবেদনকাৰীয়ে প্ৰতিপক্ষক ভৰণ-পোষণ নিদিয়ে। তাৰ পিছত আন কোনো বিকল্প নথকাত তাই উপায়বিহীন হৈ বিলাসীপাৰাৰ বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশ (এম)ৰ আদালতত ফৌজদাৰী কাৰ্য্যবিধিৰ ১৯৭৩ৰ ১২৫ নং ধাৰাৰ অধীনত এটা আবেদন দাখিল কৰে। ইয়াৰ পিছতে দুয়োপক্ষৰ শুনানি গ্ৰহণ কৰি বিলাসীপাৰাৰ বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশ (এম)য়ে ০৪/১০/২০১৯ তাৰিখে দিয়া হুকুম মতে আবেদনকাৰীক ভৰণ-পোষণ বাবদ ৫০০০/-(পাঁচ হাজাৰ) টকাকৈ দিবলৈ নিৰ্দেশ দিয়ে। তাৰ পিছত বিলাসীপাৰাৰ বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশ (এম)য়ে প্ৰদান কৰা ওপৰত উল্লেখ কৰা ০৪.১০.২০১৯ তাৰিখৰ ৰায় আৰু আদেশত ক্ষুব্ধ হৈ আবেদনকাৰীয়ে বিলাসীপাৰাৰ বিদ্বান অতিৰিক্ত সত্ৰ ন্যায়াধীশ মহোদয়ৰ আদালতত ফৌজদাৰী পুনৰীক্ষণ গোচৰ নং ১৭/২০১৯ দাখিল কৰে। বিলাসীপাৰাৰ বিদ্বান অতিৰিক্ত জিলা ন্যায়াধীশে ০৬.০৯.২০২১ তাৰিখৰ ৰায় আৰু আদেশৰ জৰিয়তে বিলাসীপাৰাৰ বিদ্বান মহকুমা ন্যায়িক দণ্ডাধীশ(এম)য়ে বিবিধ গোচৰ নং ২৪৪/২০১৭ত দিয়া ০৪.১০.২০১৯ তাৰিখৰ ৰায় আৰু আদেশক বাহাল ৰাখে।

৪। উক্ত ৰায়ৰ ওপৰত অত্যন্ত অসন্তুষ্ট হৈ আবেদনকাৰীয়ে তলত দিয়া কাৰণ সমূহ দৰ্শাই এই আবেদনক দাখিল কৰিছে:

(ক) নিম্ন আদালতসমূহে এই তথ্যটোক উপলব্ধি কৰাত ব্যৰ্থ হৈছিল যে ফৌজদাৰী কাৰ্য্যবিধিৰ ১২৫ নং ধাৰাৰ অধীনত 'পত্নী' অভিব্যক্তিটোৰ অৰ্থ কেৱল আইনীভাৱে

বিবাহিত পত্নী বুলি ব্যাখ্যা কৰা উচিত। । ফৌজদাৰী কাৰ্য্যবিধিৰ ১২৫ নং ধাৰাত পত্নী'ৰ বাবে কোনো নিৰ্দিষ্ট সংজ্ঞা দিয়া নাই কিন্তু এই ধাৰাৰ ব্যাখ্যাত বিবাহ বিচ্ছেদ হোৱা ব্যক্তিক সামৰি লোৱা হৈছে। ১৯৫৫ চনৰ হিন্দু বিবাহ আইনৰ ৫ নং ধাৰাত উল্লেখ কৰা চৰ্তসমূহ পালন কৰি কোনো দুজন হিন্দু পুৰুষ আৰু মহিলাৰ মাজত বিবাহ নহ'লে এগৰাকী মহিলাক বিবাহ বিচ্ছেদ হোৱা মহিলা বুলি গণ্য কৰিব নোৱাৰি।। কিন্তু নিম্ন আদালতসমূহে এই কথাটো বিবেচনা কৰাত ব্যৰ্থ হৈছিল আৰু এই সিদ্ধান্তত উপনীত হৈছিল যে প্ৰতিপক্ষজন ফৌজদাৰী কাৰ্য্যবিধি ধাৰা ১২৫ অনুসৰি ভৰণ-পোষণৰ প্ৰাপ্যতাৰ বাবে আবেদনকাৰীৰ আইনীভাৱে বিবাহিত পত্নী। (খ) হিন্দু অধিকাৰ অনুসৰি এগৰাকী মহিলাৰ এজন জীৱিত পত্নী থকা পুৰুষৰ সৈতে বিবাহ হোৱা সম্পূৰ্ণৰূপে আইনৰ দৃষ্টিত নীতি বহিৰ্ভূত আৰু সেয়েহে, তাই ফৌজদাৰী কাৰ্য্যবিধি ধাৰা ১২৫ ধাৰাৰ সুবিধা লাভ কৰাৰ অধিকাৰী নহয়।

(গ) হিন্দু বিবাহ আইন ১৯৫৫ৰ ধাৰা ৫ অনুসৰি, জীৱিত পত্নী থকা ব্যক্তিৰ সৈতে বিবাহ অনুমোদিত নহয় আৰু সেয়া সম্পূৰ্ণ অবৈধ আৰু ইয়াৰ বৈধতাৰ ওপৰত নূন্যতম প্ৰশ্নও উত্থাপন কৰিব নোৱাৰে।

(ঘ) বহিন্দু বিবাহ আইন, ১৯৫৫ৰ ১১ নং ধাৰাত কেতিয়া বিবাহক বাতিল ঘোষণা কৰিব পাৰি তাৰ ব্যাখ্যা স্পষ্টকৈ দিয়া আছে। ধাৰা ১১ অনুসৰি যদিহে ই হিন্দু বিবাহ আইন, ১৯৫৫ৰ ধাৰা ৫ৰ ধাৰা (i), (iv), (v)ত উল্লেখ কৰা যিকোনো চৰ্ত উলংঘা কৰে তেন্তে বিবাহক বাতিল ঘোষণা কৰিব পাৰি।

(ঙ) এজন মহিলাই ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ৰ অধীনত ভৰণ-পোষণৰ বাবে যোগ্য হ'বলৈ হ'লে, তাই যে ভৰণ-পোষণ দাবী কৰা ব্যক্তিজনৰ আইনীভাৱে বিবাহিত পত্নী তাৰ প্ৰমাণৰ দায়িত্ব তাইৰ ওপৰত থাকে। এই গোচৰটোত প্ৰতিপক্ষই

আবেদনকাৰীৰ সৈতে আইনীভাৱে বিবাহ হোৱা বুলি প্ৰমাণ কৰাৰ লগতে হিন্দু বিবাহ আইন, ১৯৫৫ৰ ৫ নং ধাৰাত উল্লেখ কৰা হিন্দু বিবাহৰ চৰ্ত পূৰণ কৰাত দুৰ্ভাগ্যজনকভাৱে ব্যৰ্থ হৈছে।

(চ) প্ৰতিপক্ষ(বাদীপক্ষৰ সাক্ষী-১)ই তাইৰ জেৰাত কৈছে যে তাই আবেদনকাৰীক সৰুকালৰ পৰা চিনি পায় কাৰণ তেওঁলোক একেখন গাঁৱৰ আৰু তাই আবেদনকাৰীৰ প্ৰথম বিবাহৰ বিষয়েও জানিছিল। তেনে ক্ষেত্ৰতো নিম্ন আদালতসমূহে এই সিদ্ধান্তত উপনীত হৈছে যে প্ৰতিপক্ষ আবেদনকাৰীৰ আইনীভাৱে বিবাহিত পত্নী।

(ছ) আবেদনকাৰী আৰু প্ৰতিপক্ষই নটাৰী পাব্লিকৰ অধীনত পঞ্জীয়নৰ জৰিয়তে বিবাহপাশত আবদ্ধ হৈছিল আৰু উক্ত তথ্যটো নিম্ন আদালতসমূহে বিবেচনা কৰা নাই।

(জ) বৈধভাৱে বিবাহিত নোহোৱা মহিলাক অন্তৰ্ভুক্ত কৰাৰ বাবে 'পত্নী'ৰ কৃত্ৰিম সংজ্ঞাৰ কোনো পৰিসৰ নাই। গতিকে বিবাদিত ৰায় আৰু আদেশসমূহ বাতিল কৰি আবেদনখনৰ মঞ্জুৰ্ কৰাৰ দাবী কৰা হৈছে।

৫) ইয়াত মন কৰিবলগীয়া যে এই গোচৰত প্ৰতিপক্ষই আপত্তি প্ৰদৰ্শন কৰি কোনো শপতনামা দাখিল কৰা নাই।

6) আবেদনকাৰী হৈ বিদ্বান অধিবক্তা শ্ৰীযুত এছ বিশ্বাস লগতে প্ৰতিপক্ষৰ হৈ বিদ্বান অধিবক্তা শ্ৰীযুত এম হুছেইনে প্ৰদৰ্শন কৰা যুক্তি সমূহ শুনা হ'ল।

৭. আবেদনকাৰীৰ অধিবক্তা শ্ৰীযুত বিশ্বাসে যুক্তি প্ৰদৰ্শন কৰে যে নিম্ন আদালতে ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ত 'পত্নী' শব্দটো ব্যাখ্যা কৰাত এক গুৰুতৰ ভুল কৰিছে আৰু পক্ষসমূহৰ মাজত কোনো বৈধ বিবাহ নোহোৱাকৈ প্ৰতিপক্ষৰ পক্ষত ভুলভাৱে ভৰণ-পোষণৰ আদেশ দিছে। ইয়াৰ উপৰিও তেওঁ যুক্তি দিয়ে যে প্ৰতিপক্ষ

আৰু আবেদনকাৰী একেটা গাঁৱৰ আৰু তেওঁলোকে শৈশৱৰ পৰাই ইজনে সিজনক জানে আৰু সেয়েহে তাই আবেদনকাৰীৰ প্ৰথম বিবাহৰ বিষয়ে ভালদৰে জানিও তেওঁৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল, আৰু সেই বাবে, বিবাদিত ৰায় আৰু আদেশসমূহ ঘোৰ অবৈধতা আৰু অনুপযুক্ততাৰ দ্বাৰা পীড়িত হয় যাৰ কাৰণে এই আবেদনখন মঞ্জুৰ কৰি সেইবোৰ বাতিল কৰিব লাগে। শ্ৰীযুত বিশ্বাসে তেওঁৰ যুক্তিৰ সপক্ষে **সাবিতাবেন সোমানহাই ভাটিয়া বনাম গুজৰাট ৰাজ্য আৰু অন্যান্য (২০০৫) ৩ এছ. চি. চি. ৬৬৩** গোচৰৰ উদ্ধৃতি দিয়ে।

৯) আনহাতে, প্ৰতিপক্ষৰ বিদ্বান অধিবক্তা এম হুছেইন ডাঙৰীয়াই যুক্তি প্ৰদৰ্শন কৰে যে নিম্ন আদালতসমূহে প্ৰতিপক্ষক ভৰণ-পোষণৰ প্ৰদান কৰাৰ ক্ষেত্ৰত কোনো অনিয়ম কৰা নাই। তেওঁ যুক্তি দিয়ে যে আবেদনকাৰীয়ে প্ৰথম বিবাহক গোপন কৰি প্ৰতিপক্ষৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল আৰু এতিয়া তেওঁ পূৰ্বৰ পত্নীৰ সৈতে তেওঁৰ প্ৰথম বিবাহৰ কোনো সুবিধা দাবী কৰিব নোৱাৰে। সুবিধা ল'ব নোৱাৰে। ইয়াৰ উপৰিও আবেদনকাৰীয়ে প্ৰতিপক্ষক তেওঁ প্ৰথম পত্নীৰ সৈতে বিবাহ বিচ্ছেদ কৰিছে বুলি ভুল তথ্য দিছিল আৰু সেই সংক্ৰান্তত কিছুমান নথি-পত্ৰ দেখুৱাইছিল আৰু সেইবাবেই হিন্দু বিবাহ আইনৰ ধাৰা ৫(১)ৰ চৰ্ত পূৰণ নকৰাৰ প্ৰশ্নটো উত্থাপন নহয়। বিদ্বান অধিবক্তা হুছেইন ডাঙৰীয়াই **বাদশ্বাহ বনাম উৰ্মিলা বাদশ্বাহ গডছে আৰু অন্য এজন (২০১৪) ১ এছচিচি ১৮৮** গোচৰৰ উদ্ধৃতি দি যুক্তি দিয়ে যে আবেদনখন ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ৰ অধীনত দাখিল কৰা হৈছে আৰু প্ৰতিপক্ষক আইনগতভাৱে বিবাহিত পত্নী হিচাপে গণ্য কৰা উচিত আৰু আবেদনকাৰী প্ৰতিপক্ষকৰ আগত তেওঁৰ পূৰ্বৰ বিবাহৰ কথা গোপন কৰি প্ৰতাৰণা কৰিছে আৰু সেয়েহে, আবেদনকাৰীয়ে প্ৰতিপক্ষক ভৰণ-পোষণ অস্বীকাৰ কৰিব

নোৱাৰে। সেই হেতুকে নিম্ন আদলতৰ ৰায় সমূহ বাহাল ৰাখি আবেদনকাৰীৰ আবেদনখন খাৰিজ কৰিব লাগে।

১০) দুয়োপক্ষৰ বিদ্বান অধিবক্তাৰ যুক্তিবোৰ শুনি মই আবেদনখন আৰু গোচৰৰ নথিত থকা সমূহ নথি-পত্ৰ সমূহ, নিম্ন আদালতৰ বিবাদিত ৰায় সমূহ আৰু লগতে দুয়োপক্ষৰ বিদ্বান অধিবক্তাই দাঙি ধৰা ওপৰত উল্লেখ কৰা গোচৰ উদ্ধৃতি সমূহ বিশদভাবে পৰীক্ষা কৰিছোঁ। তদুপৰি, মাননীয় উচ্চতম ন্যায়ালয়ে **মহাৰাষ্ট্ৰ বনাম জগমোহন সিং কুলদীপ সিং আনন্দ এ আই আৰ ২০০৪ এছচি ৪৪১২** গোচৰত কৰা পৰ্যবেক্ষণৰ প্ৰতি লক্ষ্য ৰাখি মই নিম্ন আদালতে লিপিবদ্ধ কৰা সাক্ষ্য সমূহ পঢ়িছো, যাতে নিম্ন আদালতৰ তথ্যৰ শুদ্ধতা, বৈধতা আৰু যথাযথতা সম্পৰ্কে নিজকে সন্তুষ্ট কৰিব পাৰো। উক্ত গোচৰত উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ৪০১ই পুনৰীক্ষণ আদালত(Revisional Court)ক প্ৰয়োজন হ'লে আপীল আদালত (Appellate Court)ৰ (ধাৰা ৩৮৬) থকা সকলো ক্ষমতা ব্যৱহাৰ কৰিবলৈ সক্ষম কৰিছে যাতে পুনৰীক্ষণ আদালতে যিকোনো সিদ্ধান্ত, শাস্তি বা আদেশৰ শুদ্ধতা, বৈধতা বা উপযুক্ততা তদাৰক আৰু মূল্যায়ন কৰিব পাৰে তথা যিকোনো আইনী প্ৰক্ৰিয়াৰ নিয়মীয়াতা পুনৰীক্ষণ কৰিব পাৰে।

১১) এই গোচৰটোত আবেদনকাৰীয়ে তেওঁৰ লিখিত বিবৃতিত স্পষ্টকৈ কৈছে যে তেওঁ কোনো সন্দেহ নোহোৱাকৈ প্ৰতিপক্ষক বিয়া কৰাইছিল,আৰু লগতে তেওঁ তাইৰ সৈতে স্বামী-স্ত্ৰী হিচাপে থকাৰ কথাও স্বীকাৰ কৰিছে। তেওঁ প্ৰতিপক্ষৰ লগত প্ৰথমে তেওঁৰ ভনীয়েকৰ ঘৰত আৰু তাৰ পিছত বিলাসীপাৰাৰ ভাড়াঘৰত প্ৰায় ৪ (চাৰি) মাহৰ বাবে থাকিছিল। উক্ত সত্য বুলি মানি লোৱা উক্তি আৰু প্ৰতিপক্ষই দিয়া সাক্ষ্যৰ ওপৰত ভিত্তি কৰি নিম্ন আদালতে ৰায় দিয়ে যে প্ৰতিপক্ষ আবেদনকাৰীৰ বিবাহিত পত্নী আৰু তেওঁলোকে স্বামী-স্ত্ৰী হিচাপে একেলগে বাস

কৰিছিল আৰু তাৰ দ্বাৰা, ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ৰ প্ৰয়োজনীয় শৰ্তবোৰ পূৰণ কৰিছে। যদিও আবেদনকাৰীৰ বিদ্বান অধিবক্তাই দাবী কৰিছে যে হিন্দু বিবাহ আইনৰ ১১ নং ধাৰা অনুসৰি আবেদনকাৰী আৰু প্ৰতিপক্ষৰ মাজৰ বিবাহ বৈধ নহয় কাৰণ ই হিন্দু বিবাহ আইন, ১৯৫৫ৰ ৫ নং ধাৰাৰ দফা -(i), (iv), (v) ৰ বিধান সমূহ উলংঘা কৰিছে, কিন্তু উক্ত যুক্তিটোৱে এই আদালতক প্ৰভাৱিত কৰিব নোৱাৰিলে আৰু **সবিতাবেন সোমনহাই ভটিয়া** গোচৰত মাননীয় উচ্চতম ন্যায়ালয়ে নিৰ্ধাৰণ কৰা অনুপাত তেওঁৰ সহায়ত নাহিল। **সবিতাবেন সোমনহাই ভাটিয়াৰ** (ওপৰত উল্লেখ কৰা) গোচৰত অনুপাতটো কেৱল সেই পৰিস্থিতিতহে প্ৰযোজ্য হ'ব য'ত এগৰাকী মহিলাই এজন পুৰুষৰ প্ৰথম বিবাহৰ বিষয়ে সম্পূৰ্ণ জ্ঞান থকা সত্বেও তেওঁৰ লগত  বিয়া পাশত আবদ্ধ হয়। এনে ক্ষেত্ৰত, তাই জনা উচিত যে তেনে ব্যক্তিৰ সৈতে দ্বিতীয় বিবাহ অনুমোদিত নহয় আৰু হিন্দু বিবাহ আইনৰ অধীনত তেনে বিবাহৰ ক্ষেত্ৰত নিষেধাজ্ঞা আছে আৰু সেয়েহে তাৰ পৰিণাম তাই ভোগ কৰিবলগীয়া লাগিব। যদিও আবেদনকাৰীৰ বিদ্বান অধিবক্তাই দাবী কৰিছে যে প্ৰতিপক্ষ আৰু আবেদনকাৰী একেখন গাঁৱৰ আৰু তেওঁলোকে সৰুৰে পৰাই ইজনে সিজনক চিনি পাইছিল আৰু সেইবাবেই তাই আবেদনকাৰীয়ে তেওঁৰ প্ৰথম বিবাহ বিষয়ে ভালদৰে জানিও তাক বিয়া কৰাইছিল, কিন্তু এনে যুক্তিয়ে এই আদালতক প্ৰভাৱিত কৰিব নোৱাৰিলে কাৰণ গোচৰৰ নথিত তথ্য আছে যে আবেদনকাৰীয়ে তেওঁৰ ১ম পত্নীক বিবাহ বিচ্ছেদ কৰা বুলি ভুৱা নথি-পত্ৰ দেখুৱাই প্ৰতিপক্ষক বিয়া কৰাইছিল।

১২) **বীৰাপ্পা বনাম মাইকেল এ আই আৰ ১৯৬৩ এস সি ৯৩৩** গোচৰত মাননীয় উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে এবাৰ বিবাহৰ অস্তিত্ব প্ৰমাণিত হ'লে

ইয়াৰ বৈধতাৰ সপক্ষে ধাৰণা( Presumption ) কৰা হয়। এই ধাৰণাৰ দ্বাৰা এনে বিবাহৰ পত্নীয়ে ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ৰ অধীনত আবেদন দাখিল কৰিব পাৰে। কিন্তু এই ধাৰণাক খণ্ডন কৰিব পাৰি যদিহে বিবাহটো স্পষ্ট আৰু অনস্বীকাৰ্যভাৱে অবৈধ হয়, যিটো **যমুনাবাই বনাম অনন্তৰাও ১৯৮৩ সি আৰ এল. এল জে ২৫৯** গোচৰত দেখা গৈছে।

**বীৰাপ্পা বনাম মাইকেল এ আই আৰ ১৯৬৩ এছ চি ৯৩৩** গোচৰত উচ্চতম ন্যায়ালয়ে ৰায় দিছিল যে যদিহে প্ৰকৃততে বিবাহ সম্পন্ন হোৱা বুলি প্ৰমাণিত হয়, তেন্তে সেই বিবাহটো বৈধ বুলি প্ৰবল ধাৰণা কৰা হয়। এই ধাৰণাৰ দ্বাৰা এনে বিবাহত পত্নীয়ে ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ৰ অধীনত আবেদন কৰিব পাৰে। কিন্তু এই ধাৰণাক প্ৰত্যাহ্বান জনাব পাৰি যদিহে বিবাহটো স্পষ্টভাৱে অবৈধ আৰু অবৈধ যেন লাগে, যিটো **যমুনাবাই বনাম অনন্তৰাও ১৯৮৩সি আৰ এল. এল জে ২৫৯** গোচৰত হৈছিল।

১৩) মাননীয় উচ্চতম ন্যায়ালয়ে **দ্বাৰিকা প্ৰসাদ সাতপতি বনাম বিদ্যুৎ প্ৰভা দীক্ষিত আৰু অন্য এজন এ আই আৰ ১৯৯৯ এছ চি ১৩৪৮** আৰু **চানমুনিয়া বনাম বীৰেন্দ্ৰ কুমাৰ সিং কুশৱাহা আৰু আন এজন: (২০১১ ১ এছ চি চি ১৪১** গোচৰত মদ পোষণ কৰে যে:-

পক্ষসমূহে দীৰ্ঘদিন ধৰি একেলগে থাকিছিল। ইয়াৰ ফলত এটা প্ৰশ্ন উত্থাপন হ'ল যে তেওঁলোকৰ আনুষ্ঠানিক বিবাহ নহ'লেও তেওঁলোকক বিবাহিত বুলি গণ্য কৰিব পৰা যাবনে? এই প্ৰশ্নৰ ফলত "পত্নী" শব্দটোৰ বহল ব্যাখ্যা কৰি ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ৰ অধীনত ভৰণ-পোষণৰ দাবী উত্থাপন কৰা হৈছিল। আদালতে এই কথাত গুৰুত্ব আৰোপ কৰিছে যে যেতিয়া এজন পুৰুষ আৰু এগৰাকী মহিলাই দীৰ্ঘ

সময়ৰ আইনগতভাৱে স্বীকৃতিপ্ৰাপ্ত বিবাহ অবিহনে একেলগে বাস কৰে, তেতিয়া মহিলাগৰাকীয়ে ভৰণ-পোষণৰ অধিকাৰী নে নহয় সেইটো নিৰ্ণয় কৰিবলৈ বৈধ বিবাহৰ ধাৰণাটো বিবেচনা কৰিব লাগে আৰু এনে ক্ষেত্ৰত এগৰাকী মহিলাই ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ৰ অধীনত আবেদন কৰাৰ অধিকাৰী হ'ব।"

১৪) **ছুও মালান বনাম বালাছাহেদ ভীমৰাও গুৰাডে আৰু অন্যান্য ১৯৮৯ সি আৰ এল. এল জে ৬৭৫** গোচৰত মত পোষণ কৰে যে:

.. ফৌজদাৰী কাৰ্য্যবিধিৰ ১২৫ ধাৰাৰ অধীনত চলাবলগীয়া গোচৰসমূহ সংক্ষিপ্ত কাৰ্য্যবিধি(Summary Proceeding)ৰে চলাবলগীয়া প্ৰকৃতিৰ। আইনসভাই অৱহেলিত পত্নী, সন্তান আৰু পিতৃ-মাতৃয়ে সন্মুখীন হোৱা সমস্যাসমূহৰ দ্ৰুত সহজ আৰু ক্ষীপ্ৰ প্ৰতিকাৰৰ কৰিছে। ফৌজদাৰী কাৰ্য্যবিধিৰ ১২৫ ধাৰাৰ উদ্দেশ্য পক্ষসমূহৰ মৰ্যাদা আৰু ব্যক্তিগত অধিকাৰৰ সম্পূৰ্ণ আৰু চূড়ান্ত বাবে নিৰ্ণয় কৰা নহয়। এইটো সঁচা যে যিগৰাকী মহিলাৰ বিবাহ আইনগতভাৱে অবৈধ, তাই তেওঁ আইনগতভাৱে বিবাহিত পত্নীৰ মৰ্যাদা লাভ নকৰে আৰু এই ধাৰাত ভৰণ-পোষণৰ অধিকাৰীও নহয়। কিন্তু এইটো মনত ৰখাটো গুৰুত্বপূৰ্ণ যে এনে কাৰ্য্যবিধিত পত্নীয়ে মাত্ৰ বিশেষ বিবাহ অনুষ্ঠানৰ সম্পন্নতা প্ৰমাণ কৰিব লাগে আৰু ইয়াৰ দ্বাৰা বৈধ বিবাহৰ সকলো প্ৰয়োজনীয়তা পূৰণ হয় নে নহয় সেয়া গুৰুত্বপূৰ্ণ নহয়। বিবাহৰ বৈধতাক প্ৰত্যাহ্বান জনোৱা পক্ষই ইয়াক উপযুক্ত দেৱানী আদালতত প্ৰতিষ্ঠা কৰিব লাগিব। সেয়েহে প্ৰথম প্ৰতিপক্ষই তেওঁৰ বিবাহ বাতিল কৰিবলৈ উপযুক্ত দেৱানী আদালতৰ কাষ চাপিব লাগিছিল। যিহেতু তেওঁ সেইটো কৰা নাছিল, নিম্ন আদালতে তেওঁক সহায় কৰিবলৈ আগবাঢ়ি নাহে <u>আৰু তেওঁৰ আৰু আবেদনকাৰীৰ</u> বিবাহ অবৈধ বুলি ঘোষনা নকৰে। ফৌজদাৰী কাৰ্য্যবিধিৰ ১২৫ ধাৰাৰ ৰ অধীনত কৰা

আবেদন বিবেচনা কৰিবলৈ সেইটো আদালতৰ কাম নাছিল। কোনো উপযুক্ত আদালতে যিহেতু আবেদনকাৰী আৰু প্ৰথম প্ৰতিপক্ষৰ মাজৰ বিবাহ বৈধ নে নহয় সেই বিষয়ে স্পষ্টভাৱে ঘোষণা কৰা নাই, তেন্তে ক্ষেত্ৰত নিম্ন আদালতে ধৰি লোৱা উচিত আছিল যে বিবাহটো বৈধ।”

১৫. আকৌ **বাদশ্বাহ বনাম উৰ্মিলা বাদশ্বাহ গডছে আৰু অন্য এজন (২০১৪) ১ এছ চি চি ১৮৮** গোচৰত মাননীয় উচ্চতম ন্যায়ালয়ে ১৪ নং দফাত এই বুলি মত পোষণ কৰিছিল:

“আমি এনে এটা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিছো য’ত পক্ষসমূহৰ মাজৰ বিবাহ প্ৰমাণিত হৈছে। কিন্তু আবেদনকাৰী এজন আগৰ পৰাই এজন বিবাহিত ব্যক্তি আছিল। কিন্তু তেওঁ তাৰ প্ৰথম বিবাহৰ তথ্য গোপন কৰি প্ৰতিপক্ষক প্ৰতাৰণা কৰিছিল। এই তথ্যসমূহৰ ওপৰত আমাৰ মতে তেওঁক নিজৰ ভুলৰ সুবিধা লৈ প্ৰতিপক্ষক্ ভৰণ-পোষণৰ সুবিধা অস্বীকাৰ কৰিবলৈ অনুমতি দিব নোৱাৰি।”

১৬। **বিৰাপ্পা বনাম মাইকেল**(ওপৰত উল্লেখ কৰা), **দ্বাৰিকা প্ৰসাদ সাতপথী বনাম বিদ্যুৎ প্ৰভা দীক্ষিত আৰু অন্য এজন**(ওপৰত উল্লেখ কৰা), **চানমুনিয়া বনাম বীৰেন্দ্ৰ কুমাৰ সিং কুশৱাহা আৰু অন্য এজন**(ওপৰত উল্লেখ কৰা), আৰু **বাদশ্বাহ বনাম উৰ্মিলা বাদশ্বাহ গডছে আৰু অন্য এজন** (ওপৰত উল্লেখ কৰা) গোচৰবোৰৰ লগতে ওপৰত উল্লেখিত আইনী গোচৰবোৰত মহামান্য উচ্চতম ন্যায়ালয়ৰ দিয়া মতামতৰ ভিত্তিত স্পষ্ট হৈ পৰে যে যেতিয়া কোনো বিবাহ সম্পন্ন হোৱা বুলি প্ৰমাণিত হয়, তেতিয়া সেই বিবাহক বৈধ বুলি গণ্য কৰাৰ সপক্ষে এক প্ৰবল ধাৰণা কৰা হয়, অৰ্থাৎ যিগৰাকী মহিলাৰ বিবাহ প্ৰমাণিত হৈছে, তাই ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ ৰ অধীনত ভৰণ-পোষণ বিচাৰিব পাৰে, যদিহে

বিবাহ অবৈধ বুলি স্পষ্ট আৰু নিৰ্বিবাদ প্ৰমাণ নাথাকে।। যদিহে ধাৰণা কৰা হয় যে বিবাহ প্ৰকৃততে সম্পন্ন হৈছিল, তেন্তে এই ধাৰণাটোৱেই পত্নীক ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ৰ অধীনত ভৰণ-পোষণ বিচাৰি অবেদন কৰিবলৈ অনুমতি দিয়ে। কিন্তু এই ধাৰণাক প্ৰত্যাহ্বান জনাই প্ৰত্যাখ্যান কৰিব পাৰি যদিহে ইয়াৰ বিপৰীত প্ৰমাণ পোৱা যায়।

১৭) এই গোচৰত দুয়োপক্ষৰ মাজত বিবাহ হোৱা আৰু পৰৱৰ্তী সময়ত প্ৰায় ছমাহ ধৰি স্বামী-স্ত্ৰী হিচাপে একেলগে থকাটো প্ৰতিৰ্ষ্ঠিত হৈছে আৰু উক্ত তথ্যসমূহ আবেদনকাৰীয়েও স্বীকাৰ কৰিছে। এই ধাৰণাটোৱেই পত্নীক ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ৰ অধীনত ভৰণ-পোষণ বিচাৰি অবেদন কৰিবলৈ অনুমতি দিয়ে। এই ধাৰণাক প্ৰত্যাখ্যান কৰাৰ কোনো বিপৰীত প্ৰমাণ পোৱা নাযায়। সেইবাবেই নিম্ন আদালতসমূহে সঠিকভাৱে এই সিদ্ধান্তত উপনীত হৈছে যে প্ৰতিপক্ষ/১ম পক্ষ আবেদনকাৰী/২য় পক্ষৰ পত্নী। প্ৰদত্ত তথ্য আৰু পৰিস্থিতিত এই আদালতে এই মতামত দিয়ে যে অন্ততঃ ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ অধীনত ভৰণ-পোষণ বিচাৰি অবেদন কৰিবলৈ প্ৰতিবাদী/১ম পক্ষই আবেদনকাৰীৰ পত্নী বুলি দাবী কৰাৰ অধিকাৰ আছে। ইয়াত উল্লেখ কৰিব লাগিব যে আবেদনকাৰীয়ে কোনো আদালতত প্ৰতিবাদী/১ম পক্ষৰ সৈতে তেওঁৰ বিবাহৰ বৈধতাক প্ৰত্যাহ্বান জনোৱা নাই।

১৮)নিম্ন আদালতে খোৰাকীৰ পৰিমাণ মাহে ৫০০০/(পাঁচ হাজাৰ টকা)কৈ নিৰ্ধাৰণ কৰিছে। স্বীকাৰ্য্য যে আবেদনকাৰীয়ে কৃষি বিভাগ, বিলাসীপাৰাত চাকৰি কৰি আছে। তেওঁৰ মাহিলী দৰমহা প্ৰায় ৪০,০০০/, যিটো তথ্যক দৰমহাৰ প্ৰমাণ পত্ৰ আদিৰ দৰে কোনো উপযুক্ত নথি দাখিল কৰি বিতৰ্ক কৰা হোৱা নাই। প্ৰতিপক্ষ এগৰাকী গৃহিনী যাৰ নিজৰ কোনো উপাৰ্জনৰ উৎস নাই। আবেদনকাৰীৰ

বিদ্বান অধিবক্তাই তাই এখন বিদ্যালয়ত কাম কৰি আছে বুলি কৈছে যদিও নিম্ন আদালতত তাৰ কোনো প্ৰমাণ দিয়া হোৱা নাই বা এই আদালতত কোনো শপতনামা দাখিল কৰি এনে কোনো তথ্য দাখিল কৰা হোৱা নাই। ওপৰৰ কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি নিম্ন আদালতে নিৰ্ধাৰণ কৰা খোৰাকীৰ পৰিমাণ ন্যায্য যেন লাগে আৰু ইয়াৰ ওপৰত এই আদালতৰ কোনো হস্তক্ষেপৰ প্ৰয়োজন নাই।

১৯) **ভগৱান বনাম ড. কমলা দেৱী, এ আই আৰ ১৯৭৫ এছ চি ৮৩,** গোচৰত মাননীয় উষ্চতম ন্যায়ালয়ে অভিমত দিছে যে :-

“নিজকে পোহপাল দিব নোৱাৰা পত্নী আৰু সৰু ল’ৰা-ছোৱালীক পোহপাল দিয়াৰ দায়িত্ব এজন পুৰুষৰ বিয়া আৰু পৰিয়াল গঢ়ি তোলাৰ অধিকাৰৰ পৰাই আহিছে, যিটো **মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণা (**Universal Declaration of Humana Right)ৰ ১৬ নং অনুচ্ছেদত উল্লেখ আছে। এই অনুচ্ছেদত এইটোও কোৱা হৈছে যে পৰিয়াল হ’ল সমাজৰ এটা অপৰিহাৰ্য একক আৰু সমাজ আৰু চৰকাৰে ইয়াক সুৰক্ষিত কৰিব লাগে। ফৌজদাৰী কাৰ্য্যবিধিৰ ১২৫ নং ধাৰাই পত্নী আৰু সন্তানৰ ক্ষিপ্ৰ আৰু ফলপ্ৰসূ প্ৰতিকাৰৰ ব্যৱস্থা কৰি এই কৰ্তব্য পালন কৰে যাতে তেওঁলোকে ভিক্ষাৰী আৰু নিঃস্ব হৈ নাযায়।

২০। ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ১২৫ সামাজিক ন্যায়ৰ এক পৰিমাপ যাক সমাজৰ দুৰ্বল শ্ৰেণী যেনে মহিলা, শিশু আৰু অসহায় পিতৃ-মাতৃক সুৰক্ষা প্ৰদানৰ বাবে প্ৰণয়ন কৰা হৈছে আৰু ই ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৫(৩) আৰু ৩৯ৰ পৰিসৰৰ ভিতৰত পৰে। এই ধাৰাৰ উদ্দেশ্য অতীতৰ বাবে শাস্তি প্ৰদান কৰা নহয়, বৰঞ্চ সমাজৰ দুৰ্বল শ্ৰেণীক সুৰক্ষা প্ৰদান কৰা যাতে যিসকলে নিজকে ৰক্ষণাবেক্ষণ কৰিব নোৱাৰে, তেওঁলোক যাতে ভিখাৰী আৰু নিঃস্ব হৈ নপৰে আৰু নিজৰ জীৱিকাৰ

বাবে কোনো অনৈতিক আৰু অপৰাধমুলক কামত লিপ্ত হবলৈ বাধ্য নহয়। ইয়াৰ বাবে যিসকলে তেওঁলোকক সহায় কৰিবলৈ সক্ষম তেওঁলোকে আৰ্থিক সাহায্য প্ৰদান কৰি নিজৰ নৈতিক কৰ্তব্য পালন কৰিবলৈ বাধ্য কৰাই এই ধাৰাৰ উদ্দেশ্য।

21. পূৰ্বে আলোচনা কৰা আইনী নীতিৰ পোহৰত নিম্ন আদালতে লোৱা সিদ্ধান্তসমূহ ভালদৰে পৰ্যালোচনা কৰাৰ পিছত মই নিৰ্ণয় কৰিছো যে নিম্ন আদালতৰ সিদ্ধান্ত আইনগতভাৱে ক্ৰুটিপূৰ্ণ বা অনুচিত নহয়। গতিকে এই আদালতে ফৌজদাৰী কাৰ্য্যবিধিৰ ধাৰা ৪৮২ৰ অধীনত নিজৰ অন্তৰ্নিহিত কৰ্তৃত্ব (inherent jurisdiction) ব্যৱহাৰ কৰি হস্তক্ষেপ কৰাৰ প্ৰয়োজন নাই।। গতিকে, এই আবেদনখন মঞ্জুৰ কৰাৰ কোনো বৈধ কাৰণ নই আৰু ফলস্বৰূপে, ইয়াক নাকচ কৰা হল। প্ৰতিটো পক্ষই নিজৰ নিজৰ খৰচ বহন কৰিব লাগিব।

ন্যায়াধীশ

মোকাবিলাকাৰী

অনুবাদঃ মোবাৰক হুছেইন

জ্যেষ্ঠ অনুবাদক